# শিক্ষাত ৰূপান্তৰকাৰী নেতৃত্বৰ ভূমিকা

**(**Role of Transformative Leadership in Education)

**অনুপ হাজৰিকা**
**প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং**

**আৰম্ভণি**(Preamble): কোৱা হয় যে নেতাৰ জন্মহে হয়। আব্ৰাহাম লিংকন, মহাত্মা গান্ধী আৰু নেলচন মেণ্ডেলাৰ ভাল লগাখিনি লোৱা। তেওঁলোকৰ আটাইকেইজন সাধাৰণ মানুহ আছিল যি তেওঁলোকে সন্মুখীন হোৱা পৰিস্থিতিৰ প্ৰতি অতি সক্ৰিয়ভাৱে সঁহাৰি জনাইছিল। তেওঁলোকে যি বিশ্বাস কৰিছিল তাক অত্যুৎসাহী হৈ কাৰ্যকৰী কৰিছিল। আমিহে তেওঁলোকক ভগৱানৰ অৱতাৰ বুলি মানি লৈছো। কঠোৰ পৰিশ্ৰম, অধ্যৱসায়ৰ দ্বাৰা আৰু তেওঁলোকৰ মাজত থকা গুণসমূহৰ কৰ্ষণৰ দ্বাৰা এজন ব্যক্তি নেতাৰ শাৰীলৈ উন্নীত হয়। পূৰ্ব চৰ্তসমূহৰ এটা হৈছে নেতৃত্ব প্ৰদানৰ ইচ্ছা।

আমি যেতিয়া নেতাৰ বিষয়ে আলোচনা কৰো, আমি নেতাক বহল পৰিসৰত দুটা ভাগত ভগাব পাৰোঁ:

১। স্বৈৰাচাৰী (নিয়ন্ত্ৰণকাৰী বিধৰ) নেতা:- তেওঁলোকৰ অধীনস্থ/অধস্তন সকলৰ প্ৰতি তেওঁলোকৰ মনোভাৱ বা দৃষ্টিভঙ্গী আৰু ব্যৱহাৰ কেনেকুৱা ?

২। সুচলকাৰী (সমৰ্থনকাৰী/অনুগামী, প্ৰতিপালনকাৰী, গণতান্ত্ৰিক) নেতা:- তেওঁলোকৰ মনোভাৱ আৰু ব্যৱহাৰ কেনেকুৱা ?

**ভাল নেতাৰ গুণসমূহ**(Qualities of Good Leader):

এজন ভাল নেতাৰ বহুতো গুণৰ প্ৰয়োজন। কেইটামান উল্লেখযোগ্য গুণ হৈছে -

- **অন্তৰ্দৃষ্টি আৰু দূৰদৰ্শিতা**(Vision of Foresight): এজন নেতাৰ অন্তৰ্দৃষ্টি থকাটো প্ৰয়োজনীয়৷ তাৰোপৰি তেওঁ যিকোনো কাৰ্য সম্পাদনৰ আগতে দূৰদৰ্শী মনোভাৱ গ্ৰহণ কৰাটো আৱশ্যক।
- **বুদ্ধি**(Intelligence): এজন নেতা বুদ্ধিমান হ'ব লাগে যাতে যিকোনো সমস্যা বা গুৰুতৰ পৰিস্থিতি সহজে উপলব্ধি কৰিব পাৰে। সেয়েহে নেতাৰ ইতিবাচক মন আৰু পৰিপক্ক ধাৰণা থকাটো অতিকৈ প্ৰয়োজনীয়।
- **সমস্যা সমাধানৰ দক্ষতা**(Skills for Problem Solving): সমস্যা আৰু পৰিস্থিতি পৰীক্ষা কৰি তথা চালিজাৰি চাই বিশ্লেষণ কৰাৰ দক্ষতা এজন নেতাৰ থকাটো প্ৰয়োজনীয় যাতে তেওঁ সেই পৰিস্থিতি বা সমস্যাৰ যুক্তিপূৰ্ণ আৰু কাৰ্যকৰী সমাধান সূত্ৰ উলিয়াবলৈ সক্ষম হয়।
- **যোগাযোগমূলক দক্ষতা** (Communicative Skills): এজন নেতা ভাল যোগাযোগকাৰী হোৱাটো প্ৰয়োজনীয়। তেওঁ স্পষ্টতাৰে, উপযুক্তভাৱে আৰু সাৰ্থকভাৱে যোগাযোগ কৌশল আৰু প্ৰক্ৰিয়াসমূহ প্ৰয়োগ কৰি যোগাযোগ স্থাপন কৰাত সক্ষম হ'ব লাগে। এই গুণে অনুসৰণকাৰীসকলক প্ৰভাৱিত আৰু উদ্‌বুদ্ধ কৰি তোলাত সহায় কৰে।
- **সিদ্ধান্ত গ্ৰহণৰ সামৰ্থ** (Capacity for Decision making or Decisiveness): এজন নেতাৰ সিদ্ধান্ত গ্ৰহণৰ সক্ষমতা থাকিব লাগে। তেওঁ দলৰ বাকীসকলক বিশ্বাস কৰাৰ লগতে

তেওঁলোকক কাৰ্য সম্পাদনত উৎসাহিত কৰিব লাগে। আনহাতে, নেতাসকল নমনীয় হ'ব লাগে যাতে প্ৰয়োজনত নিজৰ ভুলটো মানি ল'ব পাৰে।

- **দায়বদ্ধতা** (Sense of Accountability): এজন নেতাৰ দলৰ কাৰ্য আৰু সাংগঠনিক লক্ষ্যৰ প্ৰতি দায়িত্ব আৰু দায়বদ্ধতা থকাটো প্ৰয়োজনীয়। কাৰণ তেওঁ দলৰ সদস্যৰ সৰ্বাধিক সামৰ্থ বা দক্ষতাক প্ৰকাশ কৰিব পাৰে। তেওঁ দলৰ সদস্যসকলক উদ্‌বুদ্ধ কৰিব পাৰিলেহে এয়া সম্ভৱ হ'ব।
- **আত্মবিশ্বাস আৰু ইচ্ছা শক্তি** (Self-confidence and Will Power): আত্মবিশ্বাস হৈছে এজন নেতাৰ প্ৰয়োজনীয় বৈশিষ্ট্য। তেওঁ নিজে আত্মবিশ্বাসী নোহোৱা পৰ্যন্ত লগৰীয়াসকলৰো আত্মবিশ্বাস গঢ়ি তুলিব নোৱাৰিব। তেওঁ নিজৰ ইচ্ছাশক্তিকে যিকোনো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব লাগিব৷ তেওঁ নিৰ্ভৰযোগ্য হ'ব লাগিব আৰু যিকোনো পৰিস্থিতি সম্পূৰ্ণ ইচ্ছাশক্তিৰে নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিব।
- **মানৱতাবাদী** (Humanist): এজন নেতা মানৱতাবাদত বিশ্বাসী লোক হ'ব লাগিব। কাৰণ তেওঁ ব্যক্তিৰ লগত আন্তঃক্ৰিয়া সম্পাদন কৰিবলগীয়া হয়। তেওঁ তেওঁৰ অনুগামীসকলৰ সমস্যাসমূহ অধিক যত্ন আৰু মনোযোগেৰে নিয়ন্ত্ৰণ কৰিব লাগিব। আনন্দদায়ক পৰিৱেশ সৃষ্টিৰ বাবে তেওঁ মানৱহিতৈষী হ'ব লাগিব।
- **সহৃদয়** (Understanding): এজন নেতাই সহকৰ্মীসকলৰ সমস্যা আৰু অভাৱ-অভিযোগসমূহ অনুধাৱন কৰিব পাৰিব লাগিব। তেওঁ লগৰীয়াসকলৰ প্ৰয়োজন আৰু প্ৰত্যাশা সম্পূৰ্ণৰূপে বুজি উঠিলেহে উপযুক্ত বিচাৰ কৰিবলৈ সক্ষম হ'ব। এই কাৰ্যই মানৱীয় সম্পৰ্ক উন্নত কৰাত আৰু দলৰ সদস্যসকলৰ সৈতে ব্যক্তিগত সম্বন্ধ উন্নত কৰাত সহায় কৰিব।

**শিকন উদ্দেশ্য**(Learning Objectives): এই মডিয়ুলটি অধ্যয়ন কৰি আপুনি

- ৰূপান্তৰকাৰী নেতা হিচাপে শিক্ষা প্ৰতিষ্ঠানৰ মূৰব্বীৰ ভূমিকা জানিব পাৰিব আৰু ব্যাখ্যা কৰিব পাৰিব।
- সৃষ্টিশীল সমস্যা সমাধান প্ৰক্ৰিয়া বুজিবলৈ সক্ষম হ'ব আৰু বৰ্ণনা কৰিব পাৰিব।
- বৃত্তি হিচাপে শিক্ষকৰ শিক্ষা সম্বে ব্যাখ্যা আগবঢ়াব পাৰিব।
- শিক্ষকৰ শিক্ষা প্ৰদানকাৰীৰ ভূমিকাৰ বিষয়ে জানি বৰ্ণনা কৰিব পাৰিব।

**মুখ্য শব্দবোৰ**(Key Words): স্বৈৰাচাৰী নেতা(Autocratic Leader), সুচলকাৰী নেতা(Facilitative Leader), সৃজনীমূলক সমস্যা সমাধান(Creative Problem Solving), বুদ্ধিমন্তা(Brainstorming), ডিজনীৰ সৃজনীমূলক প্ৰক্ৰিয়া(Disney's Creative Process), ফিছ ব'ন এনালাইছিছ(Fish Bone Analysis), বৃত্তিমূলক মূল্যবোধ(Professional Values), বৃত্তিমূলক/ পেছাদাৰী শিক্ষা(Professional Education)।

**আপোনাৰ মাজত থকা ৰূপান্তৰকাৰী নেতাক উন্নত কৰাৰ ৰণকৌশল**(Strategies to Develop the Transformational Leader in You):

- পৰীক্ষামূলক, উদ্ভাৱনমূলক আৰু সমকক্ষ দলৰ শিকনত উৎসাহিত কৰা।
- সভাসমূহ আয়োজন কৰক, যিয়ে কৰ্মচাৰীসকলক তেওঁলোকৰ বিষয়সমূহত, কৰ্মক্ষমতাত আৰু শিক্ষানুষ্ঠানৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত ভাবিবলৈ আৰু প্ৰতিফলন কৰিবলৈ সহায় কৰে।
- ধাৰণাসমূহক প্ৰত্যাহ্বান জনোৱা, বিকল্প দৃষ্টিভঙ্গী প্ৰদান কৰা আৰু কথোপকথন প্ৰচাৰ কৰা।
- কৰ্মচাৰীসকলক সপোন, মূল্যবোধ আৰু লক্ষ্যসমূহক পৰ্যালোচনা কৰাত জড়িত কৰক যিয়ে শিক্ষানুষ্ঠানখনক গঢ় দিব।
- বৃত্তিমুখী শিকন সম্প্ৰদায়ৰ সৃষ্টি কৰক।
- শিক্ষানুষ্ঠানত হোৱা প্ৰতিফলনমূলক সংলাপ আৰু মুকলি আলোচনাসমূহক উৎসাহিত কৰক
- শিক্ষকৰ বৃত্তিগত প্ৰয়োজনবোৰৰ সমীক্ষা চলোৱা ?
- সূক্ষ্ম গৱেষণা আৰু কাৰ্যভিত্তিক গৱেষণাক উৎসাহিত কৰা।

**সৃজনীমূলক সমস্যা সমাধান** (Creative Problem Solving):

বহলভিত্তিত সমস্যা হৈছে পৰিস্থিতি য'ত আমি যিটো আহৰণ কৰিব বিচাৰো তাক আহৰণ কৰিবলৈ যাওঁতে অনিশ্চয়তা বা কষ্টৰ সন্মুখীন হ'ব লগা হয়। যেতিয়া একোটা উদ্দেশ্য সাধনৰ দিশত আমাক কোনো এটা বাধাই প্ৰতিৰোধ কৰে তেতিয়াই সমস্যাৰ উদ্ভৱ হয়। যিহেতু যেতিয়া এটা বাধাই আমাক উদ্দেশ্য সাধনৰ বিৰোধিতা কৰে তেতিয়া একোটা সমস্যাৰ উদ্ভৱ হয়, সেয়ে আমি নিৰ্ধাৰণ কৰা উদ্দেশ্যসমূহ আহৰণ কৰিবলৈ আমাক সমস্যা সমাধানে সহায় কৰিব পাৰে৷ সুযোগসমূহৰ সৃষ্টি আৰু প্ৰয়োগ কৰিবলৈ আমি সমস্যা সমাধান ব্যৱহাৰ কৰিব পাৰো। যিকোনো পৰিস্থিতি য'ত উন্নত হোৱাৰ সম্ভাৱনা বিৰাজমান তেনে ক্ষেত্ৰতহে সমস্যা সমাধান ব্যৱহাৰ কৰিব পাৰি বা ব্যৱহাৰ কৰা উচিত।

**সমস্যা সমাধানৰ পৰ্যায় বা স্তৰসমূহ** (Stages in Problem Solving):

১। সমস্যাসমূহৰ সংগ্ৰহ
২। সমাধানৰ বাবে সমস্যাসমূহৰ নিৰ্বাচন
৩। সমস্যাৰ সংজ্ঞাবদ্ধকৰণ
৪। তথ্যৰ সংগ্ৰহ
৫। বিশ্লেষণ
৬। বিকল্প সমাধানসমূহ বিকশিত কৰা
৭। শ্ৰেষ্ঠ সমাধান নিৰ্বাচন কৰা
৮। গ্ৰহণযোগ্যতা আৰু অনুমোদন লাভ কৰা
৯। ৰূপায়ণ কৰা
১০। তত্ত্বাৱধান আৰু সংশোধন
১১। বৰ্তাই ৰখা/বাহাল ৰখা
১২। উদ্‌যাপন কৰা

**সমস্যা সমাধানৰ বাবে কৌশলসমূহ** (Skills for Problem Solving):

সমস্যা সমাধানৰ বাবে বিশ্লেষণাত্মক/সমালোচনাত্মক আৰু সৃজনীমূলক এই দুবিধ স্পষ্ট মানসিক কৌশলৰ আৱশ্যক। বিশ্লেষণাত্মক বা যুক্তিপূৰ্ণ চিন্তাত শৃংখলা, তুলনা, মত পাৰ্থক্য, মূল্যায়ন আৰু নিৰ্বাচন/বাছনিৰ দৰে কৌশলসমূহ অন্তৰ্ভুক্ত হৈ থাকে। ই সমস্যা সমাধানৰ কাৰণে যুক্তিপূৰ্ণ ৰূপৰেখা প্ৰদান কৰে আৰু ই উপলব্ধ বিকল্পৰ পৰা উত্তমটো বাছনি কৰিবলৈ সহায় কৰে।

সৃজনীমূলক চিন্তা হৈছে এটা বহুমুখী প্ৰক্ৰিয়া, য'ত সমাধানৰকাৰণে বহল পৰিসৰত ধাৰণাসমূহ সৃষ্টি কৰিবলৈ কল্পনাৰ আশ্ৰয় লোৱা হয়। ইয়াত আমি দেখা বা সাধাৰণতে দেখা পোৱাতকৈ বহু দূৰলৈ চোৱাৰ প্ৰয়োজন আৰু ধাৰণাসমূহৰ সৃষ্টিৰ আৱশ্যক যিবিলাক প্ৰথমতে অবাস্তৱ যেন বোধ হয় বা সমস্যাৰ সৈতে কোনো যুক্তিপূৰ্ণ সম্পৰ্ক নাই যেন লাগে।

**সৃজনীমূলক চিন্তাত অন্তৰ্ভুক্ত কৌশলসমূহ**(Skills included in Creative Thinking):

১. সাৱলীলতা (Fluency): বহু ধাৰণাৰ সৃষ্টি (Producing many ideas)

২. নমনীয়তা (Flexibility): এক বহল পৰিসৰত ধাৰণাসমূহৰ সৃষ্টি (Producing a broad range of ideas)

৩. মৌলিকতা (Originality): অগতানুগতিক ধাৰণাৰ সৃষ্টি (Producing uncommon ideas)

৪. বিস্তাৰিতকৰণ (Elaboration): বিদ্যমান ধাৰণাসমূহক লৈ নিৰ্মাণ কৰা (Building on existing ideas)

ফলপ্ৰসূ সমস্যা সমাধানৰ বাবে বিশ্লেষণাত্মক আৰু সৃজনীমূলক চিন্তন/ মনন/চিন্তাৰ সংমিশ্ৰণৰহে প্ৰয়োজন।

**সৃজনীমূলক চিন্তাৰ বাধাসমূহ** (Blocks to Creative Thinking):

১. ধাৰণাগত/ধাৰণামূলক বাধা (Perceptual block)

২. বৌদ্ধিক বাধা (Intellectual block)

৩. আবেগিক বাধা (Emotional block)

৪. সাংস্কৃতিক বাধা (Cultural block)

৫. পৰিৱেশৰ বাধা (Environmental block)

**বুদ্ধিমত্তা** (Brainstorming):

ব্ৰেইনষ্টৰ্মিং হৈছে এক সৃজনীমূলক সমস্যা সমাধান প্ৰক্ৰিয়া। ই কোনো এটা সমস্যা সমাধানৰ বাবে যথেষ্ট সংখ্যক চিন্তাৰ/ধাৰণাৰ সৃষ্টি কৰে। ই অভিৰোচিত কৰে কাৰণ ইয়াত একেলগে কাম কৰিবলৈ দলৰ প্ৰতিগৰাকী সদস্যই জড়িত হয়।

স্তৰ ১ : সমস্যাৰ বিবৃতি / উক্তি।

স্তৰ ২ : সমাধানৰ কাৰণে যথেষ্ট সংখ্যক অগতানুগতিক চিন্তাৰ সৃষ্টি কৰিবলৈ মগজুৰ

কচৰত (Brainstorm)কৰা / বুদ্ধিমত্তাৰ প্ৰয়োগ।

স্তৰ ৩ : ভৱিষ্যতৰ বিবেচনাৰ কাৰণে অধিক প্ৰতিশ্ৰুতিমূলক ধাৰণাৰ মূল্যায়ন আৰু নিৰ্বাচন।

বিশেষ দ্ৰষ্টব্য –১। মগজুৰ কচৰতৰ সময়ত কৰা চিন্তাক সমালোচনা নকৰা।
২।সংখ্যাত গুৰুত্ব প্ৰদান – প্ৰৱচনটো হৈছে – সংখ্যাই গুণৰ জন্ম দিয়ে।
৩।যেতিয়া আপুনি ইচ্ছা কৰে আনৰ ধাৰণাৰ ভিত্তিত গঢ় দিয়া (ধাৰণাৰ ভিত্তিত প্ৰ স্তুত কৰা)।

**ৱাল্ট ডিজনীৰ সৃষ্টিশীল প্ৰক্ৰিয়া** (Walt Disney's Creative Process):

সৃজনশীলতা হৈছে এইবিলাকৰ সংযুক্তি/সংমিশ্ৰণ

১। স্বপ্নদ্ৰষ্টাই নতুন চিন্তাৰ / ধাৰণাৰ কথা ভাবে।


২। সমালোচকে ধাৰণাবোৰ চালি জাৰি চায় আৰু সেইবোৰ পৰিশোধিত/শ্ৰেষ্ঠ/শোধিত কৰিবলৈ চেষ্টা কৰে।

৩। বাস্তৱবাদীয়ে চিন্তাবোৰ মূৰ্ত অভিব্যক্তিলৈ ৰূপান্তৰ কৰে।

সপোন দেখা, উপলব্ধি কৰা আৰু ইয়াক উন্নতি কৰা।

**ফিচ ব'ন এনালাইচিছ** (Fish Bone Analysis):

সমস্যা সমাধান প্ৰক্ৰিয়া কাৰ্যকৰী বিশ্লেষণ চলাই নিবৰ বাবে ই সহায়ক। আমি পৰিণাম/ফলাফলৰ সৈতে কাৰবাৰ / খেলা (deal with) কৰিব নোৱাৰোঁ। যদি আমি ফলাফলৰ সৈতে কাৰবাৰ কৰিব খোজো, আমি জনাটো দৰকাৰ কিহে সেইবোৰ ঘটায় আৰু আঁতৰায়।




**ফিছ ব'ন এনালাইচিছ সন্দৰ্ভত ক্ৰিয়া-কলাপ**(Activities on Fish Bone Analysis):

আমি পৰিবৰ্তন কৰিব খোজা ফলাফলৰ কাৰণ বিশ্লেষণ। কাম কৰিবলৈ আৰু পৰিবৰ্তন সাধিবলৈ ফলাফলৰ ক্ষেত্ৰত সবোৰ্চ্চভাৱে প্ৰভাৱ পেলোৱাটো নিৰ্বাচন কৰা।

**পেছাদাৰী প্ৰমূল্য** (Professional Values):

শিক্ষাৰ সকলোতে প্ৰমূল্যবোৰ বিৰাজমান৷ আমি কি কওঁ, বা নক'বলৈ পছন্দ কৰোঁ, আমি কি কৰোঁ আৰু নকৰোঁ সকলোতে প্ৰমূল্যবোৰ বিদ্যমান। যেতিয়া শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ কামৰ পৰিশুদ্ধতা আৰু সঠিকতাৰ সন্দৰ্ভত জোৰ দিয়ে বা তেওঁলোকৰ কল্পনা শক্তিৰ ব্যৱহাৰক প্ৰশংসা কৰে, তেওঁলোকক উদ্যোগ ল'বলৈ উৎসাহিত কৰে, আগ্ৰহেৰে সঁহাৰি জনায়, বা তেওঁলোকৰ চিন্তাক ভ্ৰূকুটি দেখুৱায়, শিশুসকলক প্ৰমূল্যৰ সৈতে পৰিচিত কৰোৱা হয়৷ প্ৰমূল্যই শিক্ষা প্ৰদানকাৰীসকলক একেলগে বান্ধি ৰাখিব পাৰে আৰু তেওঁলোকক অন্তৰ্ভুক্তি (belonging),

অংশীদাৰী আশ্বাস আৰু বোধৰ এক চেতনা প্ৰদান কৰিব পাৰে যিবোৰ শিক্ষাৰ উদ্দেশ্য আৰু দায়বদ্ধতাৰ সমূহীয়া চেতনা (Collective sense) ৰ এক মধ্যমণি।

**বৃত্তি হিচাপে শিক্ষকৰ শিক্ষা** (Teacher Education as a Profession):

বৃত্তি মানে কি?

বিশেষ অধ্যয়ন আৰু প্ৰশিক্ষণৰ ভিত্তিত গ্ৰহণ কৰা জীৱিকাই হৈছে – বৃত্তি।

যিকোনো বৃত্তিৰ উদ্দেশ্য হৈছে এক নিৰ্দিষ্ট ক্ষতিপূৰণৰ কাৰণে বেলেগক/ অন্য লোকক দক্ষতাযুক্ত সেৱাৰ যোগান ধৰা / প্ৰদান কৰা।

সকলো বৃত্তিতে প্ৰযুক্তি, বিশেষ আৰু উচ্চ দক্ষতাযুক্ত কাম জড়িত হৈ থাকে যাক বৃত্তিগত পাৰদৰ্শিতা (Professional expertise) বুলি অভিহিত কৰা হয়৷ যিকোনো বৃত্তিৰ লোকসকল জীৱিকাত কৰ্মৰত আৰু সমাজৰ বাবে মূল্যবান।

**বৃত্তিৰ বৈশিষ্ট্যসমূহ** (Characteristics of a Profession):

- বিশেষ জ্ঞানৰ ওপৰত ব্যুৎপত্তি।
- ব্যাৱহাৰিক জ্ঞান - অৰ্হতা ব্যৱহাৰ কৰি সমস্যা সমাধানৰ ক্ষমতা।
- আনুষ্ঠানিক প্ৰশিক্ষণ আৰু প্ৰমাণ পত্ৰ প্ৰদান (Certification)।
- ৰাজহুৱা গ্ৰহণযোগ্যতা (Public acceptance)।
- নৈতিক আচৰণ, দৃষ্টিভঙ্গী আৰু প্ৰমূল্যৰ সমন্বয় - নীতি আচৰণ (Code of conduct)।
- নিৰ্ধাৰিত নিয়মমতে যদি বৃত্তিটো অনুশীলন কৰা নহয় তেন্তে জৰিমনা।
- মক্কেলৰ সৈতে সম্বন্ধ।

**পেছাদাৰী / বৃত্তিগত শিক্ষা** (Professional Education):

বৃত্তিগত শিক্ষা হৈছে এটা প্ৰক্ৰিয়া যিটোৰ দ্বাৰা ব্যক্তিয়ে নিৰ্বাচিত/পছন্দৰ ক্ষেত্ৰত তাগিদামুলক, দায়বদ্ধ সেৱাৰ কাৰণে প্ৰস্তুত হয়৷ পেছাদাৰী শিক্ষাৰ কৰ্ম পদ্ধতি হৈছে অভিজ্ঞতালব্ধ (experienced)/হাতে কামে কৰা অভিজ্ঞতা । সেইটো হৈছে বৃত্তিৰ জীৱন্ত অভিজ্ঞতা, জ্ঞান, অভ্যাস, মূল্যবোধ আৰু দৃষ্টিভঙ্গীৰ একত্ৰিতকৰণ।

**শিক্ষকৰ শিক্ষা** (Teacher Education):

শিক্ষকৰ শিক্ষা ধাৰণাটোৰ অৰ্থ যথেষ্ট ব্যাপক আৰু সৰ্বাত্মক। শিক্ষকৰ শিক্ষা মানে হ'ল শিক্ষণ বৃত্তিটোৰ অনুকূলে শিক্ষকৰ আগ্ৰহ তথা ব্যুৎপত্তি বৃদ্ধি কৰা, তেওঁৰ আচৰণ তথা অভ্যাসৰ নতুন আৰ্হি গঢ় দিয়া আৰু তেওঁৰ ব্যক্তিত্ব পুনৰ্গঠিত তথা পুনৰ্সংৰচনাৱদ্ধ কৰি দিয়া। তাৰোপৰি শিক্ষকৰ শিক্ষাই শিক্ষণ-শিকন কাৰ্যকলাপবোৰক অধিক ফলপ্ৰসূ আৰু শিক্ষকৰ ব্যক্তিত্ব অধিক সবল কৰি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই শিক্ষকক বিদ্যালয়ৰ ভৌতিক পৰিস্থিতি আৰু সমাজৰ সাংস্কৃতিক পৰিৱেশৰ সৈতে খাপ খোৱাত সহায় কৰে। শিক্ষকৰ শিক্ষাৰ যোগেদি শিক্ষকক শিক্ষণৰ আধুনিক প্ৰযুক্তিবোৰৰ সৈতে ফলপ্ৰসূ সমন্বয় সাধন কৰিব পৰাকৈ ব্যাৱহাৰিক অভিজ্ঞতা আহৰণৰ সুযোগ প্ৰদান কৰা হয়।

**শিক্ষকৰ শিক্ষা = শিক্ষা দক্ষতা + পুথিগত তত্ত্বৰ জ্ঞান + বৃত্তিজীৱী দক্ষতা।**

শিক্ষকৰ শিক্ষাত শিক্ষাৰ দাৰ্শনিক, মনোবৈজ্ঞানিক তথা প্ৰযুক্তিগত নীতি আৰু পদ্ধতিবোৰৰ অধ্যয়নক সামৰি লোৱা হয়।

UNESCO (২০০৫)ৰ মতে শিক্ষকৰ শিক্ষাই 'শিক্ষাবৃত্তিত জড়িত হ'ব খোজা আৰু শিক্ষাদানত ব্ৰতী হৈ থকা দুয়োবিধ শিক্ষকৰ বাবে থলুৱাভাৱে প্ৰাসংগিক তথা সাংস্কৃতিকভাৱে উপযুক্ত শিক্ষকৰ শিক্ষা কাৰ্যসূচী তৈয়াৰ কৰিবলৈ পাৰিপাৰ্শ্বকেন্দ্ৰিক, সামাজিক আৰু অৰ্থনৈতিক পটভূমিবোৰৰ কথা বুজায়।'

শিক্ষকৰ শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ (NCTE)ৰ সংজ্ঞা অনুসৰি শিক্ষকৰ শিক্ষা হ'ল এনে এক শিক্ষাদান, গৱেষণা আৰু প্ৰশিক্ষণ কাৰ্যসূচী যিটোৱে প্ৰাক্-প্ৰাথমিকৰ পৰা উচ্চ শিক্ষাৰ পৰ্যায়লৈকে ব্যক্তিক শিক্ষাদান কৰিবলৈ শিকায়।

**সামৰণি**(Conclusion): ৰূপান্তৰকাৰী নেতাই সহযোগিতা, সংগতি, স্বতন্ত্ৰ শিকন আৰু কাৰ্যকৰণত চেতনা যোগাই শৈক্ষিক প্ৰতিষ্ঠানৰ বিকাশৰ প্ৰক্ৰিয়াত বিশেষভাৱে সহায় আগবঢ়ায়। যিহেতু শিক্ষানুষ্ঠানৰ প্ৰাথমিক উদ্দেশ্য হৈছে শিকন, সেয়েহে প্ৰতিষ্ঠানৰ ফলাফলৰ আধাৰত, শিকন-শিক্ষণ প্ৰক্ৰিয়াত কৃতকাৰ্যতা আৰু ফলাফলসমূহৰ মাজত থকা সম্পৰ্কৰ ক্ষেত্ৰত ৰূপান্তৰকাৰী নেতাই বিশেষ গুৰুত্ব প্ৰদান কৰে। ৰূপান্তৰকাৰী নেতাই শিক্ষানুষ্ঠানখন সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত সকলোকে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায় আৰু প্ৰতিশ্ৰুতিবোৰ পালন কৰিবলৈ প্ৰচেষ্টা চলায়। ৰূপান্তৰকাৰী নেতাই সক্ৰিয়ভাৱে শিক্ষানুষ্ঠানৰ সংস্কৃতিক প্ৰভাৱ পেলাবলৈ চেষ্টা কৰে। এগৰাকী ৰূপান্তৰকাৰী নেতাই সমভাগী দৃষ্টিভঙ্গীৰ প্ৰস্তুতকৰণ, সিদ্ধান্ত গ্ৰহণ, সমস্যাৰ সমাধান, সময় পৰিচালনা, দায়িত্ব আৰু কাৰ্য আৱণ্টন কৰা, কৰ্মীসকলক দায়িত্বশীল কৰা আৰু ৰূপান্তৰকৰণ প্ৰক্ৰিয়াত এটি বহুভিত্তিক পদ্ধতিৰ অনুসৰণ কৰা আদিৰ দিশত বিশেষ ব্যুৎপত্তি প্ৰদৰ্শন কৰে।

**সম্বন্ধীয় পাঠ্যপুথি/লিংক (References) :-**


1. Sharma Prabha Shashi (২০০৩): "Teacher Education Principles, Theories and Practices", Kanishka Publishers, New Delhi.
2. Tewari A.D. & Panda B.N. (২০০৯): "Teacher Education", A.P.H. Publishing Corporation, New Delhi.
3. Change Leadership & School Improvement: Role of School Head. https://www.youtube.com/watch?v=hsfgfon8ig


---ooo---